জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৮/২০২১

চাহ জনগোষ্ঠীৰ বিভিন্ন সংস্থাৰ প্ৰতিনিধিৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

# চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৮ টকাকৈ বৃদ্ধি কৰাৰ বাবে বৈঠকত সিদ্ধান্ত

**দিছপুৰ, ২৮ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম চাহ মজদুৰ সংঘৰ প্ৰতিনিধিৰ লগতে অন্যান্য চাহ জনগোষ্ঠীয় সংস্থাৰ প্ৰতিনিধিৰ সৈতে এক বৈঠকত মিলিত হৈ চাহ শ্ৰমিকৰ মজুৰি নিৰ্দ্ধাৰণৰ বিভিন্ন বিষয় আলোচনা কৰে। আজিৰ বৈঠকে চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৮ টকাকৈ বৃদ্ধি কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। এই বৃদ্ধিৰ ফলত বহ্মপুত্ৰ উপত্যকাৰ চাহ শ্ৰমিকসকলে বৰ্তমানে দৈনিক লাভ কৰি থকা দৈনিক মজুৰি ১৬৭ টকাৰ পৰিৱৰ্তে ২০৫ টকাকৈ দৈনিক মজুৰি লাভ কৰিব আৰু বৰাক উপত্যকাৰ চাহ শ্ৰমিকসকলে বৰ্তমান লাভ কৰি থকা ১৪৫ টকা দৈনিক মজুৰিৰ পৰিৱৰ্তে ১৮৩ টকা দৈনিক মজুৰি লাভ কৰিব।

অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আজি অনুষ্ঠিত হোৱা বৈঠকত চাহ জনগোষ্ঠীৰ বিভিন্ন সংস্থাসমূহৰ দীৰ্ঘদিনীয়া দাবীৰ পৰিপ্ৰেক্ষিতত চাহ শ্ৰমিকৰ দৈনিক মজুৰি ক্ৰমে ২০৫ আৰু ১৮৩ টকালৈ বৃদ্ধিৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰাৰ উপৰি ইয়াক পূৰ্বকালীন সময়ৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰূপায়ণ কৰাৰ সিদ্ধান্ত লোৱা হয়। চাহ শ্ৰমিকসকলে এই বৰ্দ্ধিত দৈনিক মজুৰি চলিত বৰ্ষৰ ২৩ ফেব্ৰুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ লাভ কৰিব।

উল্লেখ্য যে ইয়াৰ পূৰ্বে চৰকাৰে চাহ শ্ৰমিকৰ দৈনিক মজুৰি ২১৭ টকালৈ বৃদ্ধি কৰিছিল। কিন্তু বিষয়তো আদালতৰ বিচৰাধীন হৈ থকাৰ বাবে এই মজুৰি বৃদ্ধি কাৰ্যকৰী কৰিব পৰা হোৱা নাছিল। সেয়েহে, ৰাজ্য চৰকাৰে চাহ জনগোষ্ঠীৰ বিভিন্ন সংস্থাৰ লগত বিস্তৃত আলোচনাৰ অন্তত চাহ শ্ৰমিকৰ দৈনিক মজুৰি ২০৫ টকা আৰু ১৮৩ টকালৈ বৃদ্ধিৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। চাহ শ্ৰমিকৰ কল্যাণৰ দিশত থকা চৰকাৰৰ দায়বদ্ধতা অটুট ৰাখি চৰকাৰে বাকী ১২ টকাৰ দৈনিক মজুৰি বৃদ্ধি সংশ্লিষ্ট সকলো পক্ষৰ সৈতে আলোচনা কৰি বৃদ্ধি কৰাৰ বাবে অচিৰেই সিদ্ধান্ত গ্ৰহণ কৰিব।

আজিৰ এই বৈঠকত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, সাংসদ পল্লৱ লোচন দাস, বিধায়ক ৰূপেশ গোৱালা, অসম চাহ মজদুৰ সংঘৰ সভাপতি পৱন সিং ঘাটোৱাৰ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, চাহ জনগোষ্ঠীৰ বিভিন্ন সংস্থাৰ প্ৰতিনিধি তথা অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**২৮/০৫/২০২১**